# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-07-2026
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# **HEADLINES**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দুদিনীয়া ঐতিহাসিক নিউজিলেণ্ড ভ্ৰমণ সামৰি স্বদেশলৈ ৰাওনা হৈছে।

২। ভিয়েটনামৰ প্ৰধানমন্ত্ৰীয়ে ফু কক দ্বীপৰ সমীপত হোৱা নাও দুৰ্ঘটনাত ১৫ জন ভাৰতীয় পৰ্যটকৰ মৃত্যুৰ ঘটনাৰ তদন্তৰ নিৰ্দেশ দিছে।

৩। ইৰাণৰ সামৰিক বাহিনী আই আৰ জি চিয়ে ছাইপ্ৰাছৰ ধ্বজাবাহী এখন জাহাজক লক্ষ্য কৰি আক্ৰমণ চলোৱাৰ পাছত আমেৰিকাই দেশখনৰ বিৰুদ্ধে নতুনকৈ আক্ৰমণ আৰম্ভ কৰিছে।

৪। খাদ্য সুৰক্ষা আৰু মান আইন উলংঘা কৰা বুলি উঠা অভিযোগ সন্দৰ্ভত ছুইগি ইনষ্টামাৰ্টলৈ জাননী জাৰি কৰা হৈছে।

*আৰু*

৫। ইংলেণ্ডে বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দুদিনীয়া ঐতিহাসিক নিউজিলেণ্ড ভ্ৰমণ সামৰি স্বদেশলৈ ৰাওনা হৈছে। চাৰি দশকৰো অধিক সময়ত এয়া কোনো ভাৰতীয় প্ৰধানমন্ত্ৰীৰ প্ৰথম নিউজিলেণ্ড ভ্ৰমণ আছিল আৰু এই ভ্ৰমণে দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কত গতি প্ৰদান কৰিব বুলি আশা কৰা হৈছে। ভ্ৰমণ কালত শ্ৰীমোদীয়ে নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰী ক্ৰিষ্টোফাৰ লক্সনৰ সৈতে বিভিন্ন বিষয় লৈ আলোচনা কৰে। দুয়োখন দেশে প্ৰতিৰক্ষা, পৰ্যটন, ক্ৰীড়া, দুৰ্যোগ ব্যৱস্থাপনা, দুগ্ধ উৎপাদন আৰু পশু পালনকে ধৰি বিভিন্ন ক্ষেত্ৰত ৫ খন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। ভ্ৰমণকালত শ্ৰীমোদীয়ে অকলেণ্ডৰ স্পাৰ্ক এৰেনাত আয়োজিত এটা সমূহীয়া অনুষ্ঠানতো ভাগ লয়। এই অনুষ্ঠানত ১০ হাজাৰৰো অধিক প্ৰৱাসী ভাৰতীয়ই অংশগ্ৰহণ কৰে। সমাৰেশত ভাষণ দি শ্ৰীমোদীয়ে কয়, যে ভাৰত আৰু নিউজিলেণ্ডৰ ভৱিষ্যৎ পৰস্পৰৰ সৈতে সংযুক্ত হৈ আছে। তেওঁ লগতে দ্বিপাক্ষিক বাণিজ্য চুক্তিয়ে বিকশিত ৰাষ্ট্ৰৰ দিশে ভাৰতৰ যাত্ৰা ত্বৰান্বিত কৰিব বুলি মন্তব্য কৰে।

***বাইট-পি. এম***

ooooo

ভিয়েটনামৰ প্ৰধানমন্ত্ৰী লি মিন হানে ফু কক দ্বীপৰ সমীপত নাও দুৰ্ঘটনাত ১৫ জন ভাৰতীয় পৰ্যটকৰ মৃত্যু হোৱা ঘটনাৰ তদন্তৰ নিৰ্দেশ দিছে। মুম্বাইত থকা ভিয়েটনামৰ কনছুলেট জেনেৰেলে জাৰি কৰা বিবৃতি অনুসৰি প্ৰধানমন্ত্ৰী হানে কৰ্তৃপক্ষক দুৰ্ঘটনাৰ প্ৰত্যক্ষ আৰু পৰোক্ষ

কাৰণসমূহ নিৰ্ণয় কৰিবলৈ আৰু ভৱিষ্যতে অনুৰূপ ঘটনা ৰোধ কৰাৰ বাবে ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিছে। কোনো লোকে নিয়ম উলংঘা কৰাৰ ফলত এই দুৰ্ঘটনা হোৱা বুলি চিনাক্ত হ'লে তেওঁৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰিবলৈও প্ৰধানমন্ত্ৰীগৰাকীয়ে কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। তেওঁ লগতে ভুক্তভোগী আৰু তেওঁলোকৰ পৰিয়ালক সহায় আগবঢ়াবলৈ নিৰ্দেশ দিছে। কনছুলেট জেনেৰেলে কয় যে আহতসকলৰ চিকিৎসাৰ বাবে প্ৰয়োজনীয় সকলো চিকিৎসা প্ৰদান,অধিক প্ৰাণহানি ৰোধ তথা দুৰ্ঘটনাত মৃত্যু হোৱা লোকসকলৰ পৰিয়ালক সহায় আৰু সমৰ্থন আগবঢ়াবলৈ প্ৰধানমন্ত্ৰী হানে নিৰ্দেশ দিছে ।

উল্লেখযোগ্য যে, ৪ গৰাকী ক্ৰু সদস্যকে ধৰি মুঠ ৩৬ জন লোকক লৈ যোৱা স্পীডবোটখন কালি ৰুট নংগোই দ্বীপপুঞ্জৰ ওচৰত সাগৰৰ ঢৌৰ প্ৰচণ্ড খুন্দাত উলটি যোৱাৰ ফলতে এই মৰ্মান্তিক দুৰ্ঘটনাটো সংঘটিত হয়। স্থানীয় কৰ্তৃপক্ষই ২১ জন লোকক উদ্ধাৰ কৰিবলৈ সক্ষম হোৱাৰ বিপৰীতে ২ গৰাকী মহিলাকে ধৰি ১৫ জন ভাৰতীয় লোকৰ মৃত্যু হয়। ভিয়েটনামত থকা ভাৰতীয় দূতাবাসে এই তালিকা প্ৰকাশ কৰিছে। মৃত্যু হোৱা ১৫ জনৰ ভিতৰত ১০ জন তামিলনাডুৰ, ৩ জন অন্ধ্ৰ প্ৰদেশৰ, আৰু ২ জন কেৰালাৰ বুলি জানিব পৰা গৈছে।

ooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰে ভিয়েটনামৰ ফু ক'ক দ্বীপৰ সমীপত নাও দুৰ্ঘটনাত ১৫ জন ভাৰতীয় লোকৰ মৃত্যু হোৱাৰ ঘটনাক লৈ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ড০ জয়শংকৰে কয় যে এই দুৰ্ভাগ্যজনক ঘটনাত তেওঁ অতি মৰ্মাহত হৈছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰে।

ooooo

ইৰাণৰ সামৰিক বাহিনী আই আৰ জি চিয়ে ছাইপ্ৰাছৰ ধবজাবাহী এখন জাহাজক লক্ষ্য কৰি আক্ৰমণ চলোৱাৰ পাছত আমেৰিকাই দেশখনৰ বিৰুদ্ধে নতুনকৈ আক্ৰমণ আৰম্ভ কৰিছে। আমেৰিকাৰ সেনা বাহিনীয়ে প্ৰকাশ কৰিছে, যে ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পৰ নিৰ্দেশ মৰ্মে এই আক্ৰমণ চলোৱা হৈছে। আমেৰিকাই প্ৰকাশ কৰা মতে, ইৰাণে বাণিজ্যিক জাহাজৰ ওপৰত চলোৱা আক্ৰমণৰ পাছৰে পৰা চালক দলৰ এগৰাকী সদস্য সন্ধানহীন হৈ আছে আৰু জাহাজখনত হোৱা অগ্নিকাণ্ডৰ ফলত ভালেখিনি ক্ষতি হৈছে।

ইপিনে, ইৰাণে পৰৱৰ্তী জাননী জাৰি নকৰা পৰ্যন্ত হৰমুজ প্ৰণালী বন্ধ কৰিছে। ইৰাণৰ নৌসেনা বাহিনীয়ে প্ৰকাশ কৰা মতে, এখন জাহাজে অকৰ্তৃত্বশীল পথ ব্যৱহাৰ কৰাৰ প্ৰয়াস চলোৱাৰ পাছত এই সামুদ্ৰিক পথটো বন্ধ কৰি দিয়া হৈছে। বাহিনীটোৱে কৈছে, যে অঞ্চলটোত আমেৰিকা যুক্তৰাষ্ট্ৰৰ হস্তক্ষেপৰ অৱসান নঘটালৈকে কোনো জাহাজক হৰমুজ প্ৰণালীৰে আহ-যাহৰ অনুমতি দিয়া নহ'ব। হৰমুজ প্ৰণালীৰ ঘটনাৱলীক লৈ আমেৰিকাই ব্যৱস্থা গ্ৰহণ কৰিলে তাৰ যোগ্য প্ৰত্যুত্তৰ দিয়া হ'ব বুলি দেশখনৰ নৌসেনা বাহিনীয়ে সকীয়াই দিছে।

আমেৰিকা যুক্তৰাষ্ট্ৰই হৰমুজ প্ৰণালী মুকলি কৰা হৈছে আৰু সামুদ্ৰিক পথটোৰে আহ-যাহ কৰা কোনো জাহাজৰ ওপৰত এতিয়া আৰু আক্ৰমণ কৰা নহয় বুলি ইৰাণে ৰাজহুৱাভাৱে ঘোষণা কৰাটো বিচাৰিছে। আমেৰিকাৰ এগৰাকী জ্যেষ্ঠ বিষয়াই প্ৰকাশ কৰা মতে, ইৰাণৰ ক্ষমতা কেন্দ্ৰিক অভ্যন্তৰীন সংঘৰ্ষৰ বাবে কোনো চুক্তিত উপনীত হোৱাত অসুবিধা হৈছে।

ইপিনে, আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে কৈছে, যে উত্তেজনা স্বত্বেও ইৰাণৰ সৈতে আলোচনা অব্যাহত থাকিব। অঞ্চলটোত নতুনকৈ সংঘৰ্ষৰ সূত্ৰপাত হোৱাৰ বাবে সৃষ্টি হোৱা উত্তেজনাৰ মাজতে আমেৰিকাৰ ৰাষ্ট্ৰপতিগৰাকীয়ে এইদৰে বিবৃতি দিছে। ইৰাণে কৈছে, যে হৰমুজ প্ৰণালী দেশখনৰ নিয়ন্ত্ৰণতে থাকিব আৰু সমুদ্ৰ পথটোৰে অহা-যোৱা কৰা জাহাজসমূহে শুল্ক আদায় দিব লাগিব।  ইফালে ওমানে হৰমুজ প্ৰণালীৰে জাহাজ চলাচলৰ বাবে দুটা সুকীয়া পথৰ প্ৰস্তাৱ দিছে। এটা ইৰাণৰ জলৰাশি আৰু আনটো ওমানৰ জলৰাশিৰ মাজেৰে। অৱশ্যে, ইৰাণে এই প্ৰস্তাৱ খাৰিজ কৰিছে।

ooooo

খাদ্য সুৰক্ষা আৰু মান আইন ২০০৬ৰ অধীনত নিয়ম উলংঘা কৰা বুলি একাংশ গ্ৰাহকে দাখিল কৰা অভিযোগৰ পিছত ভাৰতীয় খাদ্য সুৰক্ষা আৰু মান প্ৰাধিকৰনে ছুইগি ইনষ্টামাৰ্টলৈ ৯ খন জাননী জাৰি কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰাধিকৰনে কয় যে খাদ্য ব্যৱসায় পৰিচালকক বিষদভাৱে অৱগত কৰি প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হৈছে । প্ৰতিবেদন দিয়াত ব্যৰ্থ হ'লে উপযুক্ত আইনী ব্যৱস্থা গ্ৰহন কৰা হ'ব বুলি প্ৰাধিকৰনে উল্লেখ কৰিছে। গ্ৰাহকসকলে ছুইগি ইনষ্টামাৰ্টৰ জৰিয়তে ম্যাদ উকলি যোৱা, পচি যোৱা, অসুৰক্ষিত খাদ্য সামগ্ৰী যোগান ধৰা বুলি অভিযোগ উত্থাপন কৰিছে। খাদ্য নিয়ন্ত্ৰকৰ জাননীত উল্লেখ কৰা অবৈধ বা অস্তিত্বহীন অনুজ্ঞাপত্ৰ আৰু এফ এছ এছ এ আই ত পঞ্জীয়নভুক্ত নামৰ পৰিৱৰ্তে অবৈধভাৱে পৃথক নাম ব্যৱহাৰ কৰি অহা খাদ্য ব্যৱসায় গোটসমূহৰ বিষয়টোক লৈও উদ্বেগ প্ৰকাশ কৰা হৈছে।

ooooo

ভেনেজুৱেলাত যোৱা ২৪ জুনত হোৱা ভূমিকম্পত মৃত্যু হোৱা লোকৰ সংখ্যা ৪ হেজাৰ ৩৩৩লৈ বৃদ্ধি পাইছে। নেশ্যনেল এছেম্বলীৰ অধ্যক্ষ জৰ্জ ৰদ্ৰিগছে প্ৰকাশ কৰা অনুসৰি ভূমিকম্পত ক্ষতিগ্ৰস্ত লোকসকলৰ বাবে অহা সপ্তাহৰ পৰা থকা ঘৰৰ ব্যৱস্থা কৰা হ'ব। ইপিনে এই ঘটনাত মৃত্যু হোৱাসকলৰ ভিতৰৰ ৩১৫টা শৱদেহ এতিয়াও চিনাক্ত কৰিব পৰা হোৱা নাই। এই প্ৰলয়ংকাৰী ভূমিকম্পত ১৬ হাজাৰ ৭৪০ গৰাকী লোক আঘাতপ্ৰাপ্ত হোৱাৰ লগতে প্ৰায় ১৭ হাজাৰ লোক গৃহহীন  হৈছিল।

ooooo

BJP এ নেশ্যনেল কনফাৰেন্স পাৰ্টীৰ বিধায়ক সকলক  নিজ দললৈ নিয়াৰ চেষ্টা চলাই থকা বুলি  জম্মু কাশ্মীৰৰ মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লাই অভিযোগ উত্থাপন কৰাৰ বিষয়টোক বিজেপিয়ে সমালোচনা কৰিছে। নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত দলৰ মুখপাত্ৰ সুধাংশু ত্ৰিৱেদিয়ে কৈছে যে, ওমৰ আব্দুল্লাই এটা  দায়িত্বহীন মন্তব্য দিছে, যিটো অত্যন্ত নিন্দনীয়। শ্ৰীত্ৰিৱেদিয়ে এইবুলি অভিযোগ কৰিছে যে, শ্ৰীআব্দুল্লাই তেওঁৰ চৰকাৰৰ অসমৰ্থতা আৰু অপশাসন ঢাকিবলৈ আৰু এই বিষয়সমূহৰ পৰা জনসাধাৰণৰ মনযোগ আঁতৰাবলৈ এইধৰণৰ যুক্তিহীন  অভিযোগ উত্থাপন কৰিছে। ওমৰ  আব্দুল্লাই কৰা অভিযোগৰ যথোচিত প্ৰমাণ দিয়া অথবা নিজৰ মন্তব্যৰ বাবে ক্ষমা খুজিবলৈ বিজেপিৰ নেতা গৰাকীয়ে দাবী উত্থাপন কৰিছে।

ooooo

ইংলেণ্ডে যোৱানিশা ছাউডাম্পটনত অনুষ্ঠিত পাঁচখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ অন্তিমখন খেলত ভাৰতক ৫৬ ৰানত পৰাস্ত কৰি ৪-০ ফলাফলেৰে শৃংখলা হস্তগত কৰিছে। ভাৰতে ২৫৮ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ২০১ ৰানহে কৰিবলৈ সমৰ্থ হয়। ইয়াৰ পূৰ্বে ইংলেণ্ড প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত তিনিটা উইকেটৰ বিনিময়ত ২৫৭ ৰান কৰে। জজ ৱাটলাৰক প্লেয়াৰ অব্ দ্যা ছিৰিজ হিচাপে ঘোষণা কৰা হয়। উল্লেখযোগ্য যে, বৰষুণৰ বাবে শৃংখলাৰ প্ৰথমখন খেল বাতিল কৰা হৈছিল।

ooooo

ইংলেণ্ডে বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। ইংলেণ্ডে যোৱানিশা ফ্ল’ৰিডাত অনুষ্ঠিত তৃতীয়খন কোৱাৰ্টাৰ ফাইনেলত নৰ’ৱেক ২-১ গ’লত পৰাস্ত কৰে। দ্বিতীয়াৰ্ধলৈকে পিছপৰি থকা ইংলেণ্ডে জ্যুড বেলিংঘমে অতিৰিক্ত সময়ত দিয়া দুটা গ’লেৰে খেলখনত বিজয় সাব্যস্ত কৰে। ইংলেণ্ড এইবাৰৰ তৃতীয়বাৰৰ বাবে বিশ্বকাপৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

ইপিনে, প্ৰতিযোগিতাৰ চতুৰ্থখন কোৱাৰ্টাৰ ফাইনেলত আৰ্জেণ্টিনা ছুইজাৰলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। কেনছাছত অনুষ্ঠিত খেলখনত আৰ্জেণ্টিনা বাতৰি যুগুতোৱাৰ পৰলৈকে ১-০ গ’লত আগবাঢ়ি আছে। আৰ্জেণ্টিনাৰ হৈ খেলৰ ১০ মিনিটত এলেকছিছ মেক এলিষ্টাৰে এই গ’লটো দিয়ে।

স্পেইন আৰু ফ্ৰান্সে ইতিপূৰ্বে স্থান নিশ্চিত কৰিছে। কোৱাৰ্টাৰ ফাইনেলত স্পেইনে বেলজিয়াম ২-১ গ’লত পৰাস্ত কৰাৰ বিপৰীতে ফ্ৰান্সে মৰক্কোক ২-০ গ’লত পৰাভূত কৰি ছেমি ফাইনেলত স্থান নিশ্চিত কৰিছে।

ooooo

**সমাপ্ত**